**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-08-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ সদস্য ভৰ্তি অভিযান আৰম্ভ কৰিছে। দলে নতুন সদস্য ভৰ্তি আৰু দলটোৰ বৰ্তমানৰ সদস্যসকলক পুনৰ নবীকৰণ কৰাৰ লক্ষ্যৰে এই অভিযান ৰূপায়ণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে দলত তেওঁৰ সদস্যপদ নবীকৰণৰ বাবে ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ পৰা প্ৰমাণ-পত্ৰ গ্ৰহণ কৰে। আজিৰ পৰা অহা ১০ নৱেম্বৰলৈকে বিভিন্ন পৰ্যায়ত এই অভিযান চলোৱা হ'ব। সদস্য ভৰ্তি অভিযানৰ প্ৰথম পৰ্যায় অহা ২৫ ছেপ্তেম্বৰত সামৰণি পৰিব। ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ দেশত কমেও ১০ কোটি নতুন সদস্য ভৰ্তিৰ অভিযানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। জনসাধাৰণে মিছড কল অথবা দলৰ ৱেবছাইট আৰু অন্যান্য ডিজিটেল মঞ্চৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিজেপিয়ে সদস্যতা অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে। তামুলপুৰ জিলাৰ নাগ্ৰীজুলি আৰু দৰঙাজুলি পৰিষদীয় সমষ্টিত আজি দলটোৰে যোগদান সমাৰোহৰো আয়োজন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দলৰ কেইবাগৰাকীও নেতা-কৰ্মীৰ উপস্থিতিত নাগ্ৰীজুলি পৰিষদীয় সমষ্টিত ৮৭৫ গৰাকী লোকে দলত যোগ দিয়ে।

০০০০০০০

ৰাজ্য চৰকাৰে পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এক লাখ নিযুক্তি অতিক্ৰম কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক নিয়মীয়া পদৰ নিযুক্তি পত্ৰ প্ৰদান কৰি তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে আজি নিযুক্তি দিয়া শিক্ষকসকলক ধৰি বৰ্তমান ৰাজ্য চৰকাৰে নিযুক্তি দিয়া পদৰ সংখ্যা এক লাখ ২৪ হাজাৰ ৩৪৫ হৈছে। অহা বছৰ আৰু ৫০ হাজাৰ নিযুক্তি প্ৰদানৰ বাবে চৰকাৰে লক্ষ্য লৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ড° শৰ্মাই স্বাধীনতাৰ পাছত ৰাজ্যত কোনো এখন চৰকাৰেই এক লাখ নিযুক্তি দিবলৈ সক্ষম হোৱা নাছিল বুলি মন্তব্য কৰি তেওঁ কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি আজি এক লাখ নিযুক্তি সম্পূৰ্ণ হ'ল সেয়েহে আজি ৰাজ্যখনৰ যুৱক-যুৱতীলৈ তেওঁ অভিনন্দন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰ্তমান চৰকাৰৰ অধীনত কোনো ধৰণৰ উৎকোচ নিদিয়াকৈয়ে যোগ্যতাৰ ভিত্তিত যুৱক-যুৱতীসকলে চাকৰি লাভ কৰাটো সম্ভৱ হৈ উঠিছে বুলি মন্তব্য কৰে। ৰাজ্যৰ শিক্ষা বিভাগ, আৰক্ষী বিভাগ আদিত এই নিযুক্তি প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

আজি নিযুক্তি লাভ কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলে নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত যিকোনো ওজৰ-আপত্তি দাখিলৰ বাবে আজিৰ পৰা অহা ৮ ছেপ্তেম্বৰলৈকে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে প'ৰ্টেল dee.assam.gov.in মুকলি কৰিব বুলি ঘোষণা কৰিছে। তদুপৰি নথিপত্ৰ পৰীক্ষণ সম্পৰ্কীয় কাৰণত আবেদন স্থগিত ৰখা ৮৩৪ জন প্ৰাৰ্থীয়ে প'ৰ্টেলত থকা লিংকত ওজৰ-আপত্তিৰ লগতে নথিপত্ৰ দাখিল কৰিব পাৰিব। চূড়ান্ত বাছনি তালিকাত স্থান লাভ কৰা শিক্ষকসকলৰ নিযুক্তিপত্ৰ জিলা আৰু বিদ্যালয়ৰ নামৰ ক্ষেত্ৰত কিবা অমিল ধৰা পৰিলে সেই অভিযোগো প'ৰ্টেলত সন্নিবিষ্ট হৈ থকা লিংকৰ জৰিয়তে দাখিল কৰিব পাৰিব। প্ৰতিটো ওজৰ আপত্তিৰ বিপৰীতে সমৰ্থিত নথিপত্ৰ দাখিল কৰিব লাগিব। প'ৰ্টেলৰ জৰিয়তে দাখিল কৰা নথিপত্ৰসমূহ পৰীক্ষা কৰি যোগ্য প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত পূবৰ দায়িত্বত থকা সচিব জয়দ্বীপ মজুমদাৰে ভাৰতীয় প্ৰধানমন্ত্ৰীৰ এয়াই প্ৰথম দ্বিপাক্ষিক ব্ৰুনেই যাত্ৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। শ্ৰী মজুমদাৰে কয় যে, ভাৰত এক্ট-ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত ব্ৰুনেই এটা গুৰুত্বপূৰ্ণ অংশীদাৰ। শ্ৰী মজুমদাৰে কয় যে ব্ৰুনেইৰ ছুলতান হাজী হাছানল বল্কিয়াৰ নিমন্ত্ৰণমৰ্মে শ্ৰী মোদী ৩ আৰু ৪ ছেপ্তেম্বৰত দেশখন ভ্ৰমণ কৰিব। তেওঁ কয় যে, ব্ৰুনেইৰ ছুলতানগৰাকীয়ে ১৯৯২ আৰু ২০০৮ চনত ভাৰত ভ্ৰমণ কৰিছিল আৰু ২০১২ আৰু ২০১৮ চনত দক্ষিণ পূব এছিয়াৰ ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে ভাৰতলৈ আহিছিল। এই ভ্ৰমণকালত ব্ৰুনেইৰ সৈতে নতুন সহযোগিতা তথা সম্পৰ্কৰ বাবেপ্ৰধানমন্ত্ৰী মোদীয়ে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হ'ব। ভাৰতে ব্ৰুনেইৰ সৈতে এটা বন্ধুত্বপূৰ্ণ আৰু সৌহাদ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখিছে। দেশখনৰ সৈতে প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শক্তি, মহাকাশ প্ৰযুক্তি, স্বাস্থ্য সামৰ্থ বৃদ্ধি, সংস্কৃতি আৰু জনসাধাৰণৰ সৈতে জনসাধাৰণৰ সম্পৰ্ক বৰ্তাই ৰাখিছে। শ্ৰী মজুমদাৰে কয় যে, ব্ৰুনেইত ১৪ হাজাৰৰো অধিক ভাৰতীয় সম্প্ৰদায়ৰ লোক আছে। চিকিৎসক, শিক্ষক আদি বৃত্তিৰে ভাৰতীয়সকলে ব্ৰুনেইৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ দিশত অৰদান আগবঢ়াই আহিছে।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী ল'ৰেন্স ৰঙৰ আমন্ত্ৰণমৰ্মে ৪ আৰু ৫ ছেপ্তেম্বৰত ছিংগাপুৰ ভ্ৰমণ কৰিব। নেতা দুয়োগৰাকী আৰু ভাৰত আৰু ছিংগাপুৰৰ মাজৰ কৌশলগত সহযোগিতা আৰু আঞ্চলিক আৰু গোলকীয় পাৰস্পৰিক বিষয়সমূহৰ সন্দৰ্ভত মত বিনিময় কৰিব। শ্ৰী মজুমদাৰে কয় যে, প্ৰায় ৬ বছৰৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে পুনৰ ছিংগাপুৰ ভ্ৰমণ কৰিব। তেওঁ লগতে কয় যে, ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী হিচাপে লৰেন্স ৰঙে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে দেশখন ভ্ৰমণ কৰিব। তেওঁ কয় যে, এয়া হৈছে ভাৰতৰ আৰু ছিংগাপুৰৰ সম্বন্ধত নতুন মাত্ৰা প্ৰদান কৰাৰ এটা সুযোগ। আছিয়ান দেশসমূহৰ ভিতৰত ছিংগাপুৰ হৈছে ভাৰতৰ বৃহৎ বাণিজ্যিক অংশীদাৰ আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ উৎস।

০০০০০০০০

বৰপেটা ৰোডৰ বাসিন্দা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত কুমাৰ দাসৰ আজি পুৱা দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত ভুগি থকা দাসৰ মৃত্যুৰ সময়ত বয়স আছিল ৫৭ বছৰ। সুদীৰ্ঘ দিন ধৰি সাংবাদিকতাৰ সৈতে জড়িত দাসে গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো দৈনিক বাতৰি কাকতৰ লগতে বৈদ্যুতিন মাধ্যমৰ সৈতেও জড়িত আছিল। তদুপৰি অসম নাট্য সন্মিলনৰ বৰপেটা জিলাৰ সভাপতি আৰু জিলা সাহিত্য সভাৰ সম্পাদকৰ দায়িত্বও তেওঁ পালন কৰিছিল। তেওঁৰ মৃত্যুত জিলাখনত শোকৰ ছাঁ পৰিছে।

০০০০০০০

**সমাপ্ত**